# বুথ পৰ্যায়ৰ বিষয়া

# ই-পত্ৰিকা

ভোটাৰ তালিকাত আপোনাৰ নাম অন্তৰ্ভুক্ত কৰক

সংখ্যা ১৩

ছেপ্টেম্বৰ ২০২৪

নিম্ন পৰ্যায়ত প্ৰভাৱ : ভাৰতৰ নিৰ্বাচন আয়োগৰ বিশেষ সংক্ষিপ্ত সংশোধনী পদক্ষেপ কাৰ্যকৰী কৰাত বুথ পৰ্যায়ৰ বিষয়াসকলে দক্ষতা প্ৰদৰ্শন কৰে।

# গণতন্ত্ৰৰ বাবে আগবাঢ়ি আহক

১৮তম্ লোকসভাৰ সাধাৰণ নিৰ্বাচন সফলতাৰে অনুষ্ঠিত কৰাৰ পিছত ভাৰতৰ নিৰ্বাচন আয়োগে ভোটাৰ তালিকা উন্নীতকৰণৰ কাম হাতত লোৱাৰ লগতে হাৰিয়ানা, মহাৰাষ্ট্ৰ, ঝাৰখণ্ড আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু আৰু কাশ্মীৰত আসন্ন ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে।

সেই অনুসৰি নিৰ্বাচন আয়োগে সকলো যোগ্য ভোটাৰ আৰু ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নোহোৱা নাগৰিকসকলক তেওঁলোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ পৰ্যাপ্ত সুযোগ প্ৰদান কৰিছে আৰু ইয়াৰ দ্বাৰা আসন্ন নিৰ্বাচনত তেওঁলোকক ভোটদান কৰাৰ সুযোগ আগবঢ়াইছে। ২০২৪ চনৰ ১ জুলাইক অৰ্হতাৰ তাৰিখ হিচাপে লৈ হাৰিয়ানা, ঝাৰখণ্ড, মহাৰাষ্ট্ৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু আৰু কাশ্মীৰত দ্বিতীয় এছ এছ আৰ (SSR) অনুষ্ঠিত কৰা হয়।

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু আৰু কাশ্মীৰ আৰু হাৰিয়ানাত আসন্ন বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰা হৈছে। ২০২৪ চনৰ ২০ আৰু ২৭ আগষ্টত যথাক্ৰমে ভোটাৰ তালিকা প্ৰকাশ কৰা হয় আৰু চূড়ান্ত কৰা হয়, যাতে প্ৰতিগৰাকী যোগ্য ভোটাৰ এই তালিকাত অন্তৰ্ভুক্ত হয়। জম্মু আৰু কাশ্মীৰত ২০২৪ চনৰ ১৮ ছেপ্টেম্বৰৰ পৰা আৰম্ভ কৰি ১ অক্টোবৰলৈ তিনিটা পৰ্যায়ত ভোটাৰ সকলে নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰিব। ২০২৪ চনৰ ৮ অক্টোবৰত ভোট গণনাৰ পিছত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব হাৰিয়ানাত ২০২৪ৰ ৫ অক্টোবৰ তাৰিখে নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৮ অক্টোবৰত ফলাফল ঘোষণা কৰা হ'ব।


## সম্পাদনা সমিতি

এন এন বুটলিয়া
জ্যেষ্ঠ প্ৰধান সচিব (ভোটাৰ তালিকা)

অশোক কুমাৰ
উপ-সঞ্চালক প্ৰধান (আই টি)

কুলদীপ কুমাৰ ছাহাৰাৱট
সঞ্চালক (প্ৰশিক্ষণ), আই আই আই ডি ই এম

সঞ্চালক (ই ভি এম)

দিপালী মচিৰকাৰ
সঞ্চালক (নিৰ্বাচন পৰিকল্পনা)

সঞ্চালক(এছ ভি ই ই পি)

## সম্পাদনা টীম

আৰ কে সিং
সমন্বয়ক এছ ভি ইই পি

অনুজ চন্দক
যুটীয়া সঞ্চালক মিডিয়া (এছ ভি ই ই পি)

ৰজনী উপাধ্যায়
যোগাযোগ পৰামৰ্শদাতা

ফাৰহা আলভি
গ্ৰাফিক ডিজাইনাৰ

## ভোটাৰ তালিকা সংশোধনী আৰু উন্নীতকৰণত বুথ পৰ্যায়ৰ বিষয়াসকলৰ ভূমিকা

এগৰাকী বুথ পৰ্যায়ৰ বিষয়াই পদ্ধতিগতভাৱে ঘৰে ঘৰে কৰা জৰীপ, ভোটাৰ তালিকাত পুনৰাবৃত্তি চিনাক্তকৰণ/একাধিক অন্তৰ্ভুক্তিকৰণ, স্থায়ীভাৱে স্থানান্তৰিত নাইবা মৃত ভোটাৰ চিনাক্তকৰণৰ জৰিয়তে ভোটাৰ তালিকা নিখুতভাৱে উন্নীতকৰণ তথা সংশোধনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াত বাসিন্দাসকলৰ পৰা উপযুক্ত স্বাক্ষৰ আৰু সমৰ্থিত প্ৰমাণসহ প্ৰয়োজনীয় প্ৰ-পত্ৰ সংগ্ৰহৰ কাম জড়িত হৈ থাকে। এইদৰে বিতং তথ্যসমূহ এবাৰ সংগ্ৰহ কৰাৰ পিছত বুথ পৰ্যায়ৰ বিষয়াই নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ ওচৰত সংগৃহীত প্ৰ-পত্ৰ আৰু তথ্যসমূহ দাখিল কৰে, যাৰ ফলত জনসংখ্যা বৃদ্ধিৰ লগত সংগতি ৰাখি ভোটাৰ তালিকাৰ নিৰন্তৰ সংশোধনীত সুবিধা হয়।

## উপযুক্ত ভোটাৰ তালিকাৰ দিশসমূহ

### ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নোহোৱা যোগ্য নাগৰিকৰ নামভৰ্তি

বুথ পৰ্যায়ৰ বিষয়াই ভোটাৰ তালিকাত সকলো যোগ্য নাগৰিককে অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই কামে যোগ্য কিন্তু ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নোহোৱা ব্যক্তিসকলক চিনাক্তকৰণ আৰু পঞ্জীয়নক সামৰি লয়। বুথ পৰ্যায়ৰ বিষয়াসকলে সৌহাৰ্দ্যমূলক প্ৰচেষ্টা হাতত লয়, পঞ্জীয়নৰ কাম হাতত লয় আৰু প্ৰয়োজনীয় প্ৰ-পত্ৰ পূৰণত বাসিন্দাসকলক সহায় কৰে যাতে কোনো যোগ্য ভোটাৰ বাদ পৰি নাযায়।

### চিনাক্ত হোৱা নামৰ পুনৰাবৃত্তি/একাধিক অন্তৰ্ভুক্তিকৰণ/জনগাঁথনিগতভাৱে একেধৰণৰ অন্তৰ্ভুক্তি প্ৰত্যাহাৰকৰণ

বুথ পৰ্যায়ৰ বিষয়াসকল ভোটাৰ তালিকাত পুনৰাবৃত্তিৰ চিনাক্তকৰণ আৰু পৰীক্ষণ নাইবা ভুল অন্তৰ্ভুক্তিকৰণৰ বাবে দায়বদ্ধ। ভোটাৰ তালিকাৰ শুদ্ধতা ৰক্ষা কৰাৰ অৰ্থে প্ৰয়োজনীয় প্ৰক্ৰিয়া অনুসৰণ কৰাৰ পিছত সংশ্লিষ্ট নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলে যাতে পুনৰাবৃত্তি বা একাধিক জনগাঁথনিগতভাৱে সদৃশ অন্তৰ্ভুক্তিসমূহ প্ৰত্যাহাৰ কৰিব পাৰে তাৰ বাবে বুথ পৰ্যায়ৰ বিষয়াসকলে সাৱধানতা অৱলম্বন কৰি পৰীক্ষা কৰি চাব লাগিব। এই প্ৰক্ৰিয়াই প্ৰতিজন ভোটাৰৰ একক আৰু সঠিক অন্তৰ্ভুক্তিকৰণ সুনিশ্চিত কৰে, যিয়ে নিৰ্বাচনৰ সময়ত অসাধু উপায়েৰে আনৰ হৈ ভোট প্ৰদান কৰা কাৰ্য আৰু অন্যান্য বেয়া অভ্যাস ৰোধ কৰাত সহায় কৰে।

### সঠিক গুৰুত্ব আৰু প্ৰমাণসহ স্থানান্তৰিত/মৃত ভোটাৰৰ নাম প্ৰত্যাহাৰকৰণ

বেলেগ স্থানলৈ স্থায়ীভাৱে স্থানান্তৰিত হোৱা ব্যক্তি বা মৃত্যু হোৱা ব্যক্তিৰ নাম ভোটাৰ তালিকাৰ পৰা বুথ পৰ্যায়ৰ বিষয়াসকলে আঁতৰাব লাগিব। এই কামত তেওঁলোকৰ অৱস্থিতিৰ প্ৰমাণ আগবঢ়াবলৈ সতৰ্কতাৰে পৰীক্ষণ তথা উপযুক্ত নথি-পত্ৰ সংগ্ৰহৰ প্ৰয়োজনীয়তা আছে।

### ১০০ শতাংশ ঘৰে ঘৰে পৰীক্ষণ

ভোটাৰ তালিকাৰ শুদ্ধতা সুনিশ্চিত কৰিবলৈ বুথ পৰ্যায়ৰ বিষয়াসকলে ব্যাপকভাৱে ঘৰে ঘৰে পৰীক্ষণ কাৰ্য সম্পাদন কৰে। এই কাৰ্যত বুথ পৰ্যায়ৰ বিষয়াসকলে পঞ্জীয়নকৃত ভোটাৰসকলৰ সবিশেষ নিশ্চিত কৰিবলৈ তেওঁৰ এলেকাৰ প্ৰতিটো পৰিয়ালৰ ওচৰলৈ যায় আৰু কোনো ধৰণৰ পৰিৱৰ্তন থাকিলে সেইবোৰ উন্নীতকৰণৰ ব্যৱস্থা কৰে। এই প্ৰক্ৰিয়াই ভোটাৰ তালিকাত থকা কোনো ভুল বা বাদ দিব লগা তথ্যসমূহ চিনাক্তকৰণত সহায় কৰে আৰু ইয়ে সকলো যোগ্য ভোটাৰৰ নাম সঠিকভাৱে অন্তৰ্ভুক্ত হোৱাটো সুনিশ্চিত কৰে।

### পৰিয়ালৰ সদস্যসকলৰ বিভাজন এৰাই চলিবলৈ পৰিয়ালসমূহৰ টেগকৰণ

বুথ পৰ্যায়ৰ বিষয়াসকলে ভোটাৰ তালিকাত পৰিয়ালসমূহৰ টেগকৰনো সুনিশ্চিত কৰে যাতে পৰিয়ালৰ সদস্যসকল বিভিন্ন ভোটকেন্দ্ৰ বা ভোটাৰ তালিকাত বিভাজিত নহয়। এই কাৰ্যই পৰিয়ালৰ সকলো সদস্যক

একেলগে পঞ্জীয়ন কৰাটো সুনিশ্চিত কৰে। ইয়াৰ ফলত ভোটদান প্ৰক্ৰিয়া সৰল হয় আৰু নিৰ্বাচনৰ দিনা ল'জিষ্টিকেল বিষয়সমূহ হ্ৰাস পায়।

## এছ এছ আৰ: কেতিয়া, ক'ত, কি আৰু কিয়

১. কেতিয়া: গুৰুত্বপূৰ্ণ নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকা উন্নীত কৰাটো নিশ্চিত কৰিবলৈ সময়ে সময়ে এছ এছ আৰ অনুষ্ঠিত কৰা হয়।

২. ক'ত:: এই প্ৰক্ৰিয়াটো সকলো ভোটকেন্দ্ৰতে সম্পন্ন কৰা হয় আৰু সমষ্টিটোৰ প্ৰতিগৰাকী যোগ্য ভোটাৰক জড়িত কৰা হয়।

৩. কি: এই প্ৰক্ৰিয়াটো সকলো ভোটকেন্দ্ৰতে সম্পন্ন কৰা হয় আৰু সমষ্টিটোৰ প্ৰতিগৰাকী যোগ্য ভোটাৰক জড়িত কৰা হয়।

৪. কিয়: এছ এছ আৰৰ প্ৰধান উদ্দেশ্য হৈছে ভোটাৰ তালিকাৰ নিৰ্ভৰযোগ্যতা আৰু বিশ্বাসযোগ্যতা বজাই ৰখা, কিয়নো এনে ভোটাৰ তালিকাই হৈছে নিকা, নিৰপেক্ষ আৰু বিশ্বাসযোগ্য নিৰ্বাচনৰ মূল ভেটি।

এছ এছ আৰৰ সময়ত বি এল অ'সকলৰ কৰ্তব্য

১. সময়সীমাবদ্ধ কাৰ্য্যকলাপ: এছ এছ আৰৰ সময়ত বি এল অ'সকলে ভোটাৰ তালিকা ফলপ্ৰসূ আৰু দক্ষতাৰে উন্নীত কৰিবলৈ কঠোৰ সময়সীমাৰ অধীনত কাম কৰে।

২. ক্ষেত্ৰ পৰীক্ষণ: বি এল অ'সকলে ক্ষেত্ৰ পৰীক্ষণ কাৰ্য্যসমূহ সম্পন্ন কৰে আৰু সকলো তথ্য সঠিক আৰু শুদ্ধ হোৱাটো নিশ্চিত কৰে।

৩. সামূহিক প্ৰসাৰ: তেওঁলোকে উপলব্ধ চেনেল যেনে হোৱাটছএপ গ্ৰুপ, ব্যক্তিগত ভাৱ-বিনিময় আদিৰ জৰিয়তে সজাগতা সৃষ্টি কৰি যোগ্য নাগৰিকসকলক পঞ্জীয়ন আৰু এছ এছ আৰত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

ব্লাৰ, নিম্নমানৰ আৰু স্পেচিফিকেশ্যন নোহোৱা আৰু নন্-হিউমেন ছবিৰ সলনি তালিকাত ভাল মানদণ্ডৰ ফটোগ্ৰাফ নিশ্চিত কৰি ছবিৰ মান উন্নত কৰা।

বিশ্বাসযোগ্যতা আৰু সদিচ্ছাৰ ওপৰত বি এল অ'ৰ প্ৰভাৱ

১. বিশ্বাস গঢ়ি তোলা:

সঠিক আৰু উন্নীত ভোটাৰ তালিকা বজাই ৰাখি বি এল অ'ই নিৰ্বাচনী প্ৰক্ৰিয়া আৰু নিৰ্বাচন আয়োগৰ ব্যৱস্থাৰ ওপৰত আস্থা গঢ়ি তোলাত সহায় কৰে।

২. ইতিবাচক সামূহিক যোগাযোগ:

ফলপ্ৰসূ যোগাযোগ আৰু উপলব্ধতাই বি এল অ'সকলক কমিউনিটিৰ ভিতৰত এক বিশ্বাসযোগ্য যোগাযোগৰ কেন্দ্ৰবিন্দু কৰি গঢ়ি তোলে, যাৰ ফলত তেওঁলোকৰ জনপ্ৰিয়তা আৰু নিৰ্বাচন আয়োগৰ সুনাম বৃদ্ধি পায়।

আপুনি জানেনে

প্ৰ–পত্ৰ এম

এই প্ৰ–পত্ৰখন কাশ্মীৰৰ প্ৰব্ৰজিত ভোটাৰসকলৰ বাবে যিসকলে দিল্লী, জম্মু আৰু উধামপুৰৰ যিকোনো এটা বিশেষ ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা ভোটদান কৰিব বিচাৰে।

প্ৰ–পত্ৰ ১২চি

এই প্ৰ–পত্ৰ কাশ্মীৰৰ প্ৰব্ৰজিত ভোটাৰসকলৰ বাবে যিসকলে ডাক বেলটৰ জৰিয়তে ভোটদান কৰিব বিচাৰে।

# ক্ষেত্ৰীয় ঘটনা

## মুমতাজ হুছেইন ডাঙৰীয়াই জম্মু আৰু কাশ্মীৰৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১৮২-৮৯-পুঞ্চ হাভেলী বিধানসভাৰ বুথৰ বাবে বি এল অ' হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে

### এগৰাকী বি এল অ'ই তৃণমূল পৰ্যায়ৰ নেতৃত্বৰ গুৰুত্বৰ উদাহৰণ দৰ্শায়

তেওঁ এজন উৎসৰ্গিত বি এল অ' হিচাপে কাম কৰে। সীমিত পথ সংযোগ ব্যৱস্থাৰ বাবে তেওঁ প্ৰায়েই খোজকাঢ়ি তেওঁৰ ভোটাৰসকলে বাস কৰা দূৰ-দূৰণিৰ অঞ্চলসমূহলৈ যায়। ভোটাৰ পঞ্জীয়ন আৰু নিৰ্বাচনী অংশগ্ৰহণৰ প্ৰতি তেওঁৰ উৎসৰ্গিত মনোভাৱ উল্লেখনীয়। কিয়নো কোনো লোক যাতে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ বাহিৰত নাথাকে সেয়া নিশ্চিত কৰিবলৈ তেওঁ সম্প্ৰদায়ৰ সৈতে সক্ৰিয়ভাৱে কাম কৰি আছে।

মুমতাজে তেওঁৰ সমষ্টিত ভোটাৰ পঞ্জীয়ন বৃদ্ধিত যথেষ্ট অৰিহণা যোগাইছে। তেওঁ বিভিন্ন অঞ্চলত, বিশেষকৈ দূৰৱৰ্তী গাঁওসমূহত নিৰ্বাচনী সজাগতা বৃদ্ধিৰ বাবে কেইবাখনো সভা আয়োজন কৰিছিল, যাতে সৰ্বাধিক অংশগ্ৰহণ নিশ্চিত কৰিব পাৰি। যুৱ আৰু প্ৰথমবাৰৰ বাবে ভোটদান কৰা লোকসকলৰ ওপৰত গুৰুত্ব আৰোপ কৰি শেহতীয়া এছ এছ আৰত তেওঁ আঠজনতকৈ অধিক নতুন ভোটাৰ সংযোজন কৰে। তেওঁৰ অক্লান্ত প্ৰচেষ্টাই নিশ্চিত কৰিছে যে কোনো যোগ্য ভোটাৰ বাদ নপৰে আৰু তেওঁৰ ভোটাৰ তালিকা সকলো দিশতে সঠিক আৰু সম্পূৰ্ণ হয়।

সম্প্ৰদায় আৰু বি এল অ' হিচাপে তেওঁৰ দায়িত্বৰ প্ৰতি মুমতাজৰ উৎসৰ্গিত মনোভাৱেৰে আনকি দূৰৱৰ্তী অঞ্চলতো ভোটাৰ পঞ্জীয়ন বৃদ্ধি আৰু নিৰ্বাচনী প্ৰক্ৰিয়াক অধিক অন্তৰ্ভুক্তমুখী কৰাৰ ক্ষেত্ৰত তৃণমূল পৰ্যায়ত নেতৃত্বৰ গুৰুত্বকে দৰ্শায়।

**হাৰিয়ানাৰ কুৰুক্ষেত্ৰৰ দেৱীদাস পুৰাস্থিত চৰকাৰী আদৰ্শ সংস্কৃতি প্ৰাথমিক বিদ্যালয়ৰ বি টি শিক্ষক অশোক কুমাৰ ১৩৪ নং বুথৰ এগৰাকী বুথ পৰ্যায়ৰ বিষয়া**

**ভোটাৰ তালিকা সময়মতে উন্নীত কৰিবলৈ যাওঁতে নম্বৰবিহীন গৃহসমূহৰ প্ৰত্যাহ্বান অতিক্ৰম**

শ্ৰী অশোক কুমাৰে তেওঁৰ গাঁৱৰ নিৰ্বাচনী কাম-কাজ সম্পাদনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আৰম্ভণিতে নম্বৰবিহীন প্ৰায় ১২৯ টা গৃহৰ প্ৰত্যাহ্বানৰ মুখামুখি হৈয়ো তেওঁ প্ৰতিটো ঘৰৰে নম্বৰ নিৰ্ধাৰণ কৰি ভোটাৰ তালিকাখন শুধৰণি কৰাৰ উদ্যোগ লয়। ১৯২১ চনৰ পৰা তেওঁ ৰাষ্ট্ৰীয় ভোটাৰ দিৱস আৰু অন্যান্য নিৰ্বাচন সম্পৰ্কীয় অনুষ্ঠানত নিৰন্তৰ সজাগতা শিবিৰৰ আয়োজন কৰি ব্যক্তিগতভাৱে গাওঁবাসীক ভোটদান কৰিবলৈ উৎসাহিত কৰিছিল।

বিগত তিনিটা বছৰত তেওঁৰ এই প্ৰচেষ্টাৰ ফলত ২৩৮ গৰাকী নতুন ভোটাৰ সংযোজন হৈছে। দেৱীদাস পুৰাত বাস কৰা মুঠ জনসংখ্যাৰ ৭৫ শতাংশ শ্ৰমিক, পিছপৰা বা অনুসূচিক জাতিৰ লোক আৰু ইয়াত তেওঁলোকৰ ব্যস্ততা তথা সীমিত সময়ৰ বাবে বিশেষ মনোযোগৰ প্ৰয়োজন হৈছিল। অশোক কুমাৰে ব্যক্তিগতভাৱে পুৱাৰ পৰা সন্ধিয়ালৈ তেওঁলোকক লগ ধৰিছিল, নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ, তেওঁলোকৰ ভোট পঞ্জীয়ন কৰিবলৈ আৰু ৰাষ্ট্ৰীয় গণতান্ত্ৰিক উৎসৱত জৰিত হ'বলৈ প্ৰেৰণা যোগাইছিল।

**শ্বেখ মুজথাদুল ইছলাম ডাঙৰীয়াই ১৫- বন্দিপোৰা, বিধানসভা, জম্মু-কাশ্মীৰৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১৮৯-খাৰপোৰা বুথৰ বাবে বি এল অ' হিচাপে কাম কৰি আছে**

## বি এল অ' এপ ব্যৱহাৰ কৰি ভোটাৰ বিৱৰণৰ নিৰ্ভুলতা নিশ্চিত কৰক

শেহতীয়াকৈ সমাপ্ত হোৱা ২য় স্পেচিয়েল ছামাৰি ৰিভিচনৰ সময়ত ৮৯-খাৰপোৰা, জম্মু আৰু কাশ্মীৰৰ বি এল অ' শ্বেখ মুজথাদুল ইছলামে তেওঁৰ ভোটগ্ৰহণ কেন্দ্ৰৰ অন্তৰ্গত প্ৰতিখন ঘৰলৈ গৈছিল। এই প্ৰচেষ্টাসমূহৰ ফলত তেওঁ প্ৰ-পত্ৰ ০৬ ব্যৱহাৰ কৰি নতুন ভোটাৰ পঞ্জীয়ন আবেদনৰ বাবে ২৫ খন, প্ৰ-পত্ৰ ০৭ৰ জৰিয়তে ডিলিচনৰ বাবে ১৪টা অনুৰোধ সংগ্ৰহ কৰে আৰু প্ৰ-পত্ৰ ০৮ৰ জৰিয়তে ৪২০ খন সংশোধনী আবেদন প্ৰক্ৰিয়াকৰণ কৰে।

তেওঁৰ ভ্ৰমণৰ সময়ত কেইবাজনো ভোটাৰে নিৰ্বাচনী ফটো পৰিচয় পত্ৰ ( EPICS)ক লৈ উদ্বেগ প্ৰকাশ কৰে। এই উদ্বেগসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰি ভোটাৰৰ বিৱৰণৰ নিৰ্ভুলতা নিশ্চিত কৰি সবিশেষৰ সঠিকতা নিশ্চিত কৰে তেওঁ বি এল অ' এপৰ সদ ব্যৱহাৰ কৰি ৪২০টা এণ্ট্ৰি শুধৰণি কৰাৰ লগতে সলনি কৰে।

ইয়াৰ উপৰিও ফলপ্ৰসূ যোগাযোগৰ সুবিধা প্ৰদানৰ বাবে তেওঁ নিজৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰসকলৰ বাবে এটা হোৱাটছএপ গ্ৰুপ আৰম্ভ কৰিছিল, য'ত তেওঁলোকক ছামাৰি ৰিভিচন প্ৰক্ৰিয়া, ভোটদানৰ দিনৰ তথ্য আৰু এছ ভি ই ই পি সম্পৰ্কীয় কাম-কাজৰ বিষয়ে তেওঁ সময়মতে আপডেট প্ৰদান কৰিছিল।

এই ব্যাপক প্ৰচেষ্টাসমূহৰ জৰিয়তে শ্বেখ মুজথাদুল ইছলামে কোনো ভোটাৰক এৰি নগৈ এক মসৃণ, সৰ্বাংগীন আৰু সম্যক ভোটাৰ পঞ্জীয়ন প্ৰক্ৰিয়া নিশ্চিত কৰিলে।

# বি এল অ'ৰ সৈতে কথোপকথন

**বাটো বাটো মে**

**মিষ্টাৰ লখিন্দৰ সিঙে জম্মু আৰু কাশ্মীৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৬৯ নং (অনুসূচিত জাতি) বুথৰ বাবে সেৰা আগবঢ়াই আছে।**

**বিশেষ সংক্ষিপ্ত সংশোধনীৰ সময়ছোৱাত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বৃদ্ধিৰ বাবে কাৰ্যকৰী সহযোগিতা।**

মোৰ লক্ষ্য হৈছে ভোটাৰ তালিকাত সকলোবোৰ যোগ্য পৰিয়ালক সামৰি লোৱা আৰু কোনো বিসংগতি নোহোৱাকৈ ভোটাৰ তালিকা প্ৰস্তুত কৰা। এই সম্পৰ্কত ১/৭/২০২৪ ইং তাৰিখক ভিত্তিদিন হিচাপে লৈ অলপতে সম্পন্ন হোৱা দ্বিতীয় সংক্ষিপ্ত ভোটাৰ তালিকা সংশোধনী সময়ছোৱাত মই মোৰ ভোটকেন্দ্ৰৰ ভিতৰত পৰা পৰিয়ালৰ গৃহ সমূহলৈ গৈছিলো আৰু নতুন পঞ্জীয়নৰ আবেদন, বিতৰণ, যোগ্য ভোটাৰৰ চিনাক্তকৰণ, কৰাৰ উপৰি ব্যক্তিগতভাৱে তেওঁলোকক পঞ্জীয়নৰ বাবে উৎসাহিত কৰাৰ লগতে বৰ্তমানে থকা ভোটাৰৰ তথ্য পৰীক্ষা কৰাৰ বাবে অনুৰোধ জনাইছিলো।

মই প্ৰ-পত্ৰ ০৬, ০৭, ০৮ৰ উদ্দেশ্যৰ বিষয়ে জনসাধাৰণক বুজাবলৈ চেষ্টা কৰিছিলো আৰু বিশেষকৈ প্ৰথমবাৰ ভোট দিয়া সকলক ব্যক্তিগতভাৱে উপস্থিত থকাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বুজাবলৈ চেষ্টা কৰিছিলো। ভোটাৰ সজাগতাৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে মই স্থানীয় বিদ্যালয় আৰু পঞ্চায়ত ঘৰৰ লেখীয়া সামূহিক স্থানৰ সৈতে সহযোগিতাৰ প্ৰয়াস চলাইছিলো।

**মিচেচ সুনীতা কুমাৰী ঝাৰখণ্ডৰ নৰখোৰীয়া কলা ২০৬ বুথৰ বি এল অ' হিচাপে সেৰা আগবঢ়াই আছে।**

**ফটো অদ্যবধিকৰণৰ প্ৰত্যাহ্বানৰ মোকাবিলা অতিক্ৰমৰ দ্বাৰা গণতন্ত্ৰ উজ্জিৱীত কৰা**

সুনীতা কুমাৰীয়ে বিগত দুবছৰ ধৰি ঝাৰখণ্ডৰ নৰখোৰীয়া কলাস্থিত চৰকাৰী উন্নীতকণ মাধ্যমিক বিদ্যালয়ত স্থাপিত ২০৬ নং ভোটগ্ৰহণ কেন্দ্ৰত বি এল অ' হিচাপে সেৰা আগবঢ়াই আহিছে। বিশেষ সংক্ষিপ্ত সংশোধনীৰ সময়ত তেওঁ বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। এলেকাতো সম্পূৰ্ণ গ্ৰামীণ আৰু কৃষিৰ ওপৰত অতিশয় নিৰ্ভৰশীল হোৱা হেতুকে নিয়োজনৰ সুবিধা বিহীন আৰু প্ৰব্ৰজনৰ দৰে জটিল সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল।

এই ভোটকেন্দ্ৰটোত লিংগ অনুপাতৰ সৈতে ৭০০ পঞ্জীয়ন ভোটাৰ আছে। প্ৰ-পত্ৰ ৭ ব্যৱহাৰ কৰি ভোটাৰ তালিকাৰ পৰা তেওঁ ১৮ গৰাকী নকল ভোটাৰক সফলতাৰে আতৰাবলৈ সক্ষম হৈছিল। প্ৰ-পত্ৰ ৬ৰ জৰিয়তে ৮৫ গৰাকী যোগ্য ব্যক্তিক ভোটাৰ তালিকাত যোগ কৰিবলৈও সক্ষম হৈছিল। লিখিত আকাৰে অদ্যবধিকৰণৰ দিশত বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ উপৰি নিম্ন মানৰ ফটোৰ সমস্যাকো নেওঁচি সুনীতাই প্ৰ-পত্ৰ ৮ ব্যৱহাৰেৰে ৮৫ গৰাকী ব্যক্তিক অন্তৰ্ভুক্ত কৰাৰ দিশত সফল হৈছিল। বিভিন্ন প্ৰ-পত্ৰৰ জৰিয়তে তেওঁ সৰ্বমুঠ ২৩৭ অনলাইন অন্তৰ্ভুক্তি দাখিল কৰিছিল। নিৰ্বাচনী কৰ্তব্য সম্পাদনৰ দিশত তেওঁ দৃষ্টান্তমূলক ঐকান্তিকতা আৰু নিষ্ঠাৰ পৰিচয় দাঙি ধৰিছে।


**প্ৰযুক্তিয়ে পাৰদৰ্শিতাত প্ৰভাৱ পেলায়**

**ভাৰতী নিৰ্বাচন আয়োগ এপটো ইনষ্টল কৰক**

**ই ভিজিল** **কে ওৱাই চি এপ** **ভোটাৰ হেল্প লাইন**

**অনলাইন পঞ্জীয়ন অথবা voters.eci.gov.in ত আপোনাৰ সবিশেষ পৰীক্ষা কৰক**

**নিশ্চিতকৈ ভোট দিয়ক**